# চতুৰ্থ অধ্যায়

# ৪.০০ কোচ ৰাজবংশী জনগোষ্ঠীৰ মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ

**৪.০১ মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস ঃ**

মানুহৰ জীৱনৰ অনাকাংক্ষিত আৰু ৰহস্যময় বস্তুটোৱেই হ'ল মৃত্যু। মৃত্যুৰ পৰা কোনেও সাৰিব নোৱাৰে। ভাৰতীয় আধ্যাত্মিক দৰ্শন মতে আত্মা অমৰ, আত্মাৰ বিনাশ নাই, আত্মাটোৱে পুৰণি শৰীৰ ত্যাগ কৰি নতুন শৰীৰ ধাৰণ কৰে। হিন্দু ধৰ্ম মতে বিশ্বাস যে মানুহে যেনে কৰ্ম কৰে তেনে ফল লাভ কৰে, ভাল কৰ্ম কৰিলে স্বৰ্গত বাস কৰে আৰু বেয়া কৰ্ম কৰিলে নৰক যন্ত্ৰণা ভূঞ্জিব লাগে আৰু এই আত্মাবোৰে ভূত-প্ৰেত হৈ মানুহক অনিষ্ট কৰে।

কোচ ৰাজবংশী সমাজত মৃত্যু সম্পৰ্কে ভালেমান লোকবিশ্বাসৰ প্ৰচলন আছে। এই লোকবিশ্বাসসমূহৰ ভিতৰত কিছুমান মৃত্যুৰ আগজাননী বুলিও ক'ব পাৰি। কাল ফেচাই নিউ নিউ কৰি ঘৰৰ ওচৰত মাতিলে অমংগল চিন, 'কাউৰীয়ে খুব কা কা কৰি থাকিলে বেয়া বাতৰি আহে বুলি লোকবিশ্বাস।[1] ঘৰৰ চালত শগুন পৰিলে অমংগল হয়। এনে হ'লে কাৰোবাৰ মৃত্যু হ'ব পাৰে বুলি বিশ্বাস কৰা হয়।

সপোনত ম'হ, নদী পাৰ হোৱা, সপোনত দাঁত সৰা দেখাটোও অমংগলৰ চিন, ওপৰৰ পাৰিৰ দাঁত সৰা দেখিলে সপোন দেখাজনতকৈ সম্পৰ্কত ডাঙৰৰ মৃত্যু হ'ব পাৰে, আকৌ তলৰ পাৰিৰ দাঁত সৰিলে সপোন দেখাজনতকৈ সম্পৰ্কত সৰু কাৰোবাৰ মৃত্যু হ'ব পাৰে[2] সপোনত জামি দাঁত ভঙা দেখিলে তেতিয়া নিজৰ বংশৰ বুঢ়া মানুহৰ মৃত্যুৰ আগজাননী বুলি বিশ্বাস আছে। সপোনত নিজৰ মানুহৰ মৃত্যু হোৱা দেখিলে বেলেগৰ ঘৰত মানুহ মৰে, আৰু বেলেগ আত্মীয় মৃত্যু হোৱা দেখিলে নিজৰ কাৰোবাৰ মৃত্যু হ'ব পাৰে বুলি ভবা হয়।[3] 'তামোলৰ কেচা থোক যদি আপুনা-আপুনি গছৰ পৰা খহি পৰিলে মৃত্যুৰ আগজাননী বুলি বিশ্বাস কৰা হয়'।'[4]

**৪.০১.১. মৃত্যু সম্পৰ্কীয় লোকাচাৰ ঃ**

কোচ ৰাজবংশী লোকসকল আৰ্যহিন্দু হোৱাৰ বাবে তেওঁলোকৰ মাজত বেদাচাৰ আৰু লোকাচাৰ এই দুই ধৰণে নিয়মসমূহ পালন কৰা দেখা যায়। বৈদিক আচাৰবোৰ প্ৰায় বৰ্ণ হিন্দু সমাজৰ লগত মিলে। 'লৌকিক বা লোকাচাৰবোৰ শাক্ত, বৈষ্ণৱ, উপৱীত ধাৰী, উপৱীত নোহোৱা, নাৰী-পুৰুষ, স্থান-কাল ভেদে ভিন ভিন হোৱা দেখা যায়'।[5]

যেতিয়া মানুহ এজনে মৃত্যুমুখত পৰি চটফটাই কষ্ট পাই থাকিলে, দুৰ্বল স্পন্দন, কফ, বায়ুৰ প্ৰাৱল্য, কাণৰ লতি, নাকৰ পাহি লেৰেলি পৰা দেখিলে তেওঁ যাতে সোনকালে মুক্তি লাভ কৰিব পাৰে তাৰ বাবে সোণ-ৰূপ-তাম (তিনি ধাতুৰ) পানী তুলসী পাতেদি খুৱাই দিয়া হয়, মানুহজনৰ বুকুত গীতা থৈ দিয়া হয়, ভাগৱত পাঠ কৰি শুনাই, গৃহস্থৰ গৃহ দেৱতাক ধুপ-চাকি দি সেৱা কৰে। কিছুমান অঞ্চলত মানুহজন কষ্ট পাই থাকিলে অধিকাৰী মাতি আনি 'গুৰু সেৱা'[6] দিয়া হয়। লোকবিশ্বাসমতে গুৰুসেৱা দিলে হয় মানুহজন ভাল হ'ব নহ'লে মানুহজনৰ মৃত্যুৰ ৰাস্তা খুলি যাব।

**৪.০২.১. মৃত্যুৰ পিছত কৰা লোকাচাৰ ঃ**

কোচ ৰাজবংশী লোকসকলৰ মৃত্যুৰ পিছত বহুতো লোকাচাৰ পালন কৰা দেখা যায়। যদি ঘৰৰ ভিতৰত লোকজনৰ মৃত্যু হয় তেতিয়া অইন জনগোষ্ঠীৰ দৰে ঘৰটো অশুচি বুলি পুৰি পেলোৱা হয়। সেই কাৰণে বহুতে মৃত্যুমুখী মানুহজনক ঘৰৰ পৰা উলিয়াই আনি তুলসীৰ তলত শুৱাই ৰাখে। কিন্তু বৰ্তমান এই নিয়ম মানি চলা দেখা নাযায়। ঘৰৰ ভিতৰত মৰিলে চোতালত বাহিৰ নকৰালৈকে মৃতকক উত্তৰ মুৱাকৈ শুৱাই থোৱা হয়। ওচৰত ধুপ-চাকি জ্বলাই দিয়া হয়। মৃতকৰ চকুত তুলসীপাত দিয়া হয়। মৃতকৰ শৰীৰটো বগা কাপোৰেৰে ঢাকি দিয়া হয়। 'মৃতকৰ শৰীৰটো পৰিয়ালৰ এজন মানুহে চুই থাকিব লাগে, লোকবিশ্বাস যে চুই নাথাকিলে মৃতকৰ আত্মা-প্ৰেতাত্মা হৈ যায়।[7]

মৃত্যুৰ পিছত পৰিয়ালৰ লোকে নিজৰ ভাগি-জ্ঞাতিসকলক খবৰ দিয়া হয়, সমাজৰ মানুহক খবৰ দিয়া হয় 'গীয়াতি দলক'[8] খবৰ দিয়া হয়। খবৰ পোৱাৰ পিছত গাঁওবাসী, গীয়াতি দল আহি ভাগে ভাগে মৃতকক সৎকাৰৰ বাবে কামত লাগি পৰে। মৃত্যু যদি ঘৰৰ

ভিতৰত হয় তেতিয়া মৃতকক আনি বাহিৰৰ তুলসী তলত থোৱা হয়। তুলসী তলত থোৱাৰ আগতে কামধৰা জনে বাওঁহাতেৰে কোৰেৰে মাটিত তিনিডাল আঁচ দিয়ে। এটা আঁচ মৃতদেহটোৰ মুৰ অংশত, এটা আঁচ মাজত আৰু এটা আঁচ ভৰি অংশত। এই আঁচৰ ওপৰতে মৃতকৰ শৰীৰটো কলপাতৰ ওপৰত থোৱা হয়। কিছুমান ঠাইত কলগছৰ টুকুৰা তিনিটাৰ ওপৰত মৃতদেহটো শুৱাই থোৱা হয়। মৃতকৰ মূৰটো উত্তৰ দিশৰ পিনে ৰাখি ভৰি দুখন দক্ষিণ দিশত শুৱাই থোৱা হয়। মৃতকক স্নান কৰোৱা হয় পুৰণি বস্ত্ৰসমূহ খুলি দিয়া হয়, নতুন কাপোৰ পিন্ধাই দিয়া হয় (বগা ধুতি)। তুলসীৰ তলতে পৰিয়ালৰ লোকে মৃতকৰ শৰীৰত কেঁচা মাহ, হালধি, চন্দন, ঘিলা বটি তাতে তামৰ পইচা জুবুৰিয়াই সানি দিয়ে, মূৰৰ পৰা ভৰিলৈকে। মৃতকৰ মুখত গঙ্গাজল দিয়া হয়। “গংগাজলেৰে মৃতকৰ মুখ ধুৱাই মৃতকক পৱিত্ৰ কৰি স্বৰ্গগামী হোৱাৰ পথ সুচল কৰাৰ কাৰণে প্ৰাৰ্থনা কৰে।[9] মৃতকৰ কপালত তুলসী ঠাৰিৰে চন্দনেৰে ‘হৰে কৃষ্ণ হৰে কৃষ্ণ’ লিখি দিয়া হয়। কিছু অঞ্চলত (খুকচি, শক্তি আশ্ৰম, ফুটকিবাৰী, ভোটগাঁও আদি) তুলসীগছৰ গুৰিৰ মাটিৰে মৃতকৰ বুকুত আমৰ ঠাৰিৰে তিনিবাৰ ‘ৰাম ৰাম ৰাম’ বুলি লিখে। মৃতকক কিলাকুটিৰে নিগৰায় পানী খুৱায় দিয়ে, মৃতকক ফুল পইচা দিয়ে ইয়াক ‘মুখ ধুৱনি’ বুলি কোৱা হয়।[10] মৃতকৰ দুয়ো ভৰিৰ তলুৱা সেন্দুৰেৰে বোলাই লৈ শুধ বগা কাগজত ভৰিৰ ছাপ ৰাখি থয় আৰু পৰৱৰ্তী সময়ত সেই ভৰিৰ ছাপকে পূজা-অৰ্চনা কৰে।[11] মৃতকৰ পত্নীক মৃতকৰ বাওভৰিৰ বুঢ়া আঙুলিৰে শিৰৰ সেন্দুৰ মচি দিয়া হয়, হাতৰ শাখা খাৰু ভাঙি দিয়া হয়, এই কামখিনি গাঁৱৰ মানুহখিনিয়ে কৰে। আৰু মৃতক যদি মহিলা হয়, তেওঁৰ স্বামী যদি জীয়াই আছে তেতিয়া মহিলাগৰাকীক স্বামীয়ে শিৰত সেন্দুৰ পিন্ধাই দিয়ে। অবিবাহিতৰ ক্ষেত্ৰত এই নিয়মবোৰ কৰা নহয়।

চোতালত মৃতকক কৰা নিয়মবোৰ শেষ হোৱাৰ পিছত চাঙত (সাঙী) তুলি শ্মশান অভিমুখে যাত্ৰা কৰে। মৃতকক লৈ শ্মশান অভিমুখে যাত্ৰা কৰাৰ পিছত মাটিৰ পাত্ৰত গোবৰ পানী লৈ বাঢ়নীৰে চোতালখন মচি মচি (মৃতকক থোৱা ঠাইখিনি সহ) ঘৰৰ চৌহদ পাৰ হৈ মাটিৰ পাত্ৰটো ভাঙি পেলোৱা হয়। ইয়াক দুখেৰ ভাণ্ড ভাঙা বুলি কয়।

কামধৰাজন জ্যেষ্ঠ পুত্ৰ বা কনিষ্ঠ পুত্ৰ হ’ব লাগে। পুত্ৰ অবিহনে ভতিজাই কৰে।

**৪.০২.২. চাং সজা ঃ**

মৃতকক শ্মশানত লৈ যাবৰ বাবে বাঁহৰ চাং (সাঙী) সজা হয়। এই চাংখনক অঞ্চলভেদে বেলেগ বেলেগ নাম আছে যেনে— মচুলি, কাঠলি, তাৰঙা, চিলিঙা ইত্যাদি।

এই চাংখন বনাওঁতে বহুতো নীতি-নিয়ম কোচ ৰাজবংশী সমাজত দেখিবলৈ পোৱা যায়। চাঙৰ বাবে জাতি বাঁহ বা মাখলা বাঁহ ব্যৱহাৰ কৰা হয়, বাঁহডাল কেচা হ'ব লাগিব আৰু মাত্ৰ এডাল বাঁহেৰে চাংখন বনাব লাগিব। যিজোপা বাঁহৰ পৰা বাঁহ কাটিব এক বছৰলৈকে সেই বাঁহজোপাক চুৱা বুলি ধৰা হয় আৰু কোনো কামত ব্যৱহাৰ কৰা নহয়। যিজনে কামধৰা হ'ব তেওঁ চাং সজা বাঁহডাল কাটিব লাগিব। চাংখন পুৰুষ হ'লে ন হাত আৰু মহিলা হ'লে সাত হাত দীঘল হ'ব। আৰু চাংখনত মাজে মাজে দিয়া বাঁহৰ টুকুৰা কেইডাল পুৰুষ হ'লে ন ডাল আৰু মহিলা হ'লে সাতডাল হ'ব লাগে। মৰাপাটেৰে এই বাঁহবোৰ বন্ধা হয়। চাংখনৰ ওপৰত মৃতকক শুৱাই থবৰ বাবে মৰাপাটৰ ঠাৰি দিয়া হয় কিছুমান ঠাইত কুশ বন দিয়ে, মৰাপাটৰ ঠাৰিৰ ওপৰত কলপাত দি মৃতকক চাঙত তুলি তিনিঠাইত মৰাপাটৰ ৰছী বনাই বান্ধি দিয়া হয়। প্ৰথমে বুকু অংশত মাজৰখিনি কঁকাল অংশত আৰু শেষৰখিনি ভৰি অংশত বন্ধা হয়। যি তিনিজনে এই বান্ধ বা গাঠি দিব শ্মশানত এওঁলোকে এই বান্ধ তিনিটা খুলিব লাগিব। মৃতকৰ মুৰ শিতান দিবৰ বাবে মূৰৰফালে কলগছৰ টুকুৰা দিয়া হয়।

**৪.০২.৩. শ্মশানলৈ যাত্ৰা ঃ**

তুলসী তলৰ নিয়মবোৰ শেষ কৰি মৃতকক চাৰিজনে ধৰি চাঙত তুলি শ্মশান অভিমুখে যাত্ৰা কৰে। কিছুমান অঞ্চলত (শক্তি আশ্ৰম, ফকিৰাগ্ৰাম, ভোটগাঁও আদি) চাংখন চোতালত সাতপাক ঘুৰোৱা হয় আৰু শ্মশানযাত্ৰা কৰা হয়। যাত্ৰা কৰোতে মৃতকৰ মূৰটো পিছফালে আৰু ভৰি দুখন আগফালে থাকিব লাগে, যাতে মৃত ব্যক্তি গৰাকী চিৰ বিদায়ৰ সময়ত ঘৰৰ ফালে দৃষ্টি নপৰে। চাংখন প্ৰথমে নিজৰ বংশ-পৰিয়ালৰ মানুহে ধৰিব লাগে। ঘৰৰ পৰা শ্মশান নোপোৱালৈকে ৰাস্তাই ৰাস্তাই আৱা সূতা চিঙি পেলাই দিয়া হয়। কিছুমান অঞ্চলত (সেৰফানগুৰি) বাঁহত বগা কাপোৰ দি নিচান বনাই ৰাস্তাৰ কাষে কাষে নিচান পুতি দিয়া হয়।

‘এই কাৰ্যৰ জৰিয়তে মৃতকক স্বৰ্গৰ পথ দেখুৱাই দিয়াটো বুজায়।’[12] শ্মশান যাত্ৰাৰ সময়ত মৃতকৰ চাঙৰ আগে আগে ধূপ-ধূনা, খেৰৰ ভূতি (জুমুঠি) জ্বলাই নিয়া হয়। এজন ব্যক্তিয়ে কান্ধত ‘দুখেৰ ডোকা’ ভাৰ কৰি নিয়ে। দুখেৰ ডোকাত শ্মশানৰ প্ৰয়োজনীয় সামগ্ৰীবোৰ থাকে যেনে মাটিৰ ঘট, মলা, চাকি-শলিতা, তেল, ঘি, মৌ, চাউল, ধূপ-ধূনা, তিল, শিলিখা, সৰিয়হ, তুলসী গছ, কাপোৰ, বাঁহৰ খৰাহি ইত্যাদি।

শ্মশানযাত্ৰাত মহিলা আৰু ছোৱালী যোৱাৰ নিয়ম নাই।[13] শ্মশানত যোৱা ব্যক্তিসকলে হাতে হাতে কোৰ, দা, কুঠাৰ ইত্যাদি লৈ যায়। দাহন কৰিবৰ বাবে বাঁহ, খৰি, খেৰ ইত্যাদি আগতে লৈ যোৱা হয়, গাঁৱৰ মানুহেও মৃতদেহ সৎকাৰ কৰিবৰ বাবে খৰি দান কৰে। কিছুমান অঞ্চলত (শক্তি আশ্ৰম, ফুটকিবাৰী, ভোটগাঁও আদি) মৃতদেহ শ্মশানত লৈ যোৱাৰ সময়ত ৰাস্তাৰ তিনিবাৰ জিৰণী লোৱা হয়, ‘লোকসকলে বিশ্বাস কৰে যে মৃতকৰ আত্মা আকৌ ঘূৰি বা উভতি আহিব পাৰে।[14]

শ্মশানত মৃতকক লৈ যাওঁতে গাঁওবাসী বা গীয়াতি দলে নাম সংকীৰ্ত্তন কৰে। শ্মশানযাত্ৰা পৰ্বত ‘শ্মশান চালীয়া গীত বা ঝালি মাটিৰ গান, মৰাফেলা গান গোৱাটো কোচ ৰাজবংশী সমাজত প্ৰচলিত হৈ আহিছে, এই গীতসমূহৰ সুৰ, ভাৰ, ভাষা অতি কৰুণ। কোকৰাঝাৰ চন্দ্ৰপাৰা অঞ্চলৰ এটি মৰাফেলা গান হ’ল—

“ওৰে বাচা তনু
আজি তুমি ছাৰিয়া যাবো
অন্তপুৰিৰ মাঝে
হে মোৰে হায়
কাচা বাঁশেৰ খাট-পালঙ্ক
হে পবনো পাতাৰ দৰি
আহা দৰি ৰে
ভায় ভাতিজায় বান্ধে
হে প্ৰাণেৰ দৰি
হায়ৰে মন ভাই

আজি লয়া যাব তোক

সাত সমুদ্ৰ পাৰ হয়া।’[15]

সংকীৰ্ত্তনত বা এইবোৰ গান গাওঁতে খোল, তাল ব্যৱহাৰ কৰা হয়।

**৪.০২.৪. চিতা সজোৱা ঃ**

মৃতকক লৈ শ্মশানত গৈ পোৱাৰ পিছত গাঁওবাসী বা গীয়াতি দলে ভাগে ভাগে জঙ্গল চাফা কৰা চিতা সজোৱা কামত লাগি পৰে। শ্মশানসমূহ সাধাৰণতে নদীৰ পাৰ, আচুতীয়া ঠাইত থাকে। কিছুমানে নিজৰ মাটিতে দাহ কৰে। চিতা সজোৱাৰ পূৰ্বে কামধৰা জনে চিতাৰ মাটিখিনি মূল্য দি কিনি ল’ব লাগে। চিতাৰ কাৰণে কামধৰাজনে প্ৰথমে মাটিত গাত খান্দিব লাগে। চিতা পূৱা-পশ্চিম মুৰা বা উত্তৰ মুৰা হ’ব লাগে। ঠাইখিনি পৰিস্কাৰ কৰি পানী দি মচি চিতাৰ বাবে চাৰিডাল খুটি পোতা হয়। ‘চাৰিওফালে চাৰিটা খুটিক দেওখুটি বা দেওগজ বোলে আৰু দুইকাষে দুডাল ধাম দিয়া হয় ধাম দুডালক ধামগুৰী বোলে।’[16] প্ৰথম খৰি কামধৰা জনে দিব লাগে। প্ৰথম সাতজাপ খৰি দিব লাগে। পুৰুষ হ’লে তল মুখ আৰু মহিলা হ’লে উপৰফালে মুখ কৰি শুৱাই দিয়া হয়। তাৰ পিছত আকৌ বাঁহ-খৰি, মৰাপাটৰ সিঙা (ঠাৰি) দিয়া হয়। শ্মশানত যোৱা প্ৰত্যেকজনে এডালকৈ চিতাত খৰি দিয়ে।’ শ্মশানত যোৱা লোকসকলে নিজৰ পৰিয়ালত যিমান লোক আছে সিমান সংখ্যাক আমাৰ ঠালত ঘিউ সানি চিতাত দিয়ে।[17] চিতাৰ চাৰিটা খুটিত আমাৰ পঞ্চপল্লৱ আৰু কুশবন বান্ধি দিয়া হয়।

সেৰফানগুৰি অঞ্চলত চিতাৰ ওপৰত চাৰিডাল বাঁহত বগা কাপোৰ বান্ধি চান্দোৱা দিয়া হয়। এই চান্দোৱাৰ বাঁহকেইডালৰ ঠাল-ঠেঙুলিবোৰ কটা নহয়। চিতা সাজোতে সাতডাল কুশ বন দিয়া হয়। চিতা পুৰোহিতৰ দ্বাৰা উৎসৰ্গ কৰা নিয়ম আছে যদিও বৰ্তমানে এই নিয়ম দেখা নাযায়।

**৪.০২.৫. মুখাগ্নি ঃ**

চিতা সজোৱাৰ পিছত মৃতকক মুখাগ্নি কৰা হয়। পিতৃ-মাতৃৰ মৃত্যুত জ্যেষ্ঠ পুত্ৰ অথবা কনিষ্ঠ পুত্ৰই মুখাগ্নি, পিণ্ডদান কৰে। পুত্ৰ নাথাকিলে ভাই-ভতিজাই কৰে। সন্তানৰ মৃত্যু হ’লে

পিতৃ অথবা ভাতৃয়ে কৰে। যিজনে মুখাগ্নি কৰিব প্ৰথমে গা ধুই আহিব লাগিব আৰু তিতা গাৰে চিতাত জুই দিব। মুখাগ্নিৰ বাবে মৃতকৰ মুখত ঘি-শলিতা ভৰাই দিয়া হয়। ঘি-শলিতা ভৰাই দিওঁতে কামধৰাজনে মৃতকক চাব নোৱাৰে। আৰু বাওঁহাতেৰে এই কাম কৰা হয়। 'মুখাগ্নিৰ বাবে মৰাপাটৰ ঠাৰি এক মুঠা লৈ তাত আমাৰ পাত বন্ধা থাকে, জ্বলাই পুৰুষ হ'লে সাত পাক আৰু মহিলা হ'লে পাঁচ পাক চিতা প্ৰদক্ষিণ কৰে'।[18] আৰু প্ৰতিবাৰ প্ৰদক্ষিণতে মৃতকৰ মুখত জুই লগাই দিয়া হয়। কামধৰাজনৰ লগত পাঁচজন বা সাতজন লোকো থাকে। তেওঁলোকে কামধৰাজনৰ লগত হৰিনাম সংকীৰ্ত্তন কৰি চিতা প্ৰদক্ষিণ কৰে। চিতা প্ৰদক্ষিণ শেষ হোৱাৰ পিছত চিতাত অগ্নি সংযোগ কৰা হয়। চিতাৰ লগত এডাল দীঘল বাঁহ লগাই দিয়া হয় আৰু কামধৰা জনে সেই বাঁহডাল ধৰি থাকিব লাগে। যেতিয়ালৈকে চিতাৰ পৰা তিনিটা হিলৈ (শব্দ) ফুটি নাহে তেতিয়ালৈকে বাঁহডাল ধৰি থাকিব লাগে। লোকসকলে বিশ্বাস কৰে যে এইদৰে ধৰি থাকিলে ভাগ্যত থাকিলে অস্থি নিজে নিজেই ফাটি কামধৰা জনৰ ওচৰত পৰিব।[19] শব্দ হোৱাৰ লগে লগে হৰিবোল ধ্বনি দিয়া হয়। চিতাৰ জুইত শ্মশানত যোৱা লোকসকলে চন্দন কাঠ অলপ দিয়ে, চন্দন কাঠক বহুত পৱিত্ৰ বুলি জ্ঞান কৰা হয়। মৃতদেহত আধা পোৰা হোৱাৰ পিছত অস্থি সংগ্ৰহ কৰা হয়। অস্থি মৃতকৰ মূৰ বা কপালৰ পৰা লোৱা হয়।

অস্থিটো লৈ সৰু টুকুৰা কৰি বাঁহ এটুকুৰাৰ ভিতৰত ভৰাই লোৱা হয়। কোকৰাঝাৰৰে কিছুমান ঠাইত অস্থি পুৰুষ হ'লে ন টুকুৰা আৰু মহিলা হ'লে সাত টুকুৰা কৰি লোৱা হয়। অস্থিৰ টুকুৰা কেইটা ধুই পৰিস্কাৰ কৰি কাপোৰত মেৰিয়াই কামধৰাজনে নিজৰ ঘৰত আনিব লাগে। মৃত ব্যক্তি বয়সত ডাঙৰ হ'লে গ'লত আৰু বয়সত সৰু হ'লে বাঁও বাহুত বান্ধি ল'ব লাগে।

চিতাৰ জুই নুমুৱাৰ আগতে ধানখেৰেৰে বনোৱা ভোটাত (জুমুঠি)ত জুই জ্বলাই ঘৰলৈ লৈ অনা হয়। দহা শেষ নোহোৱা পৰ্যন্ত এই জুই নুমাব দিয়া নহয়। সেইবাবে তাতে আকৌ খেৰ দি থকা হয়। মৃতকৰ ভস্ম নোহোৱা অংশখিনি বগা নতুন কাপোৰত বান্ধি নদীত ডুব মাৰি উটুৱাই দিয়া হয়। আকৌ কিছুমানে চিতা জ্বলোৱা ঠাইত মাটি খান্দি পুতি থোৱা হয়। আৰু সেই ঠাইৰ ওপৰত বাঁহ এটাত বগা কাপোৰ দি নিচান দিয়া হয়। শেষত কামধৰাজনে সগোষ্ঠীৰ

এজনক লগত লৈ মাটিৰ কলহত পানী ভৰাই সৎকাৰৰ পিছত কলহটো ভাঙি দিয়ে। লগত যোৱা মানুহজনক 'কাটলি শালত' সোমোৱা বুলি কয়। তাৰ পিছত চিতা ধুই পৰিস্কাৰ কৰে। ঠাইখিনি চেঁচা হবৰ কাৰণে পানী ঢালে। 'চিতা গৰম হৈ থাকিলে মৃতকৰ আত্মাই শান্তি নাপায় বুলি জনবিশ্বাস আছে'।[20] 'তিনিদিনলৈকে কামধৰাজনে শ্মশানত গৈ চিতাত পানী ঢালিব লাগে'।[21] কিছুমান অঞ্চলত[22] চিতা পৰিস্কাৰ কৰি চাৰিটা বাঁহৰ গোজ পুতি বগা কাপোৰ দি চান্দোৱা দিয়া হয়। চান্দোৱাৰ তলত ঘট স্থাপন কৰি মহাকাল পূজা কৰা হয়।[23] 'কালীপুখুৰী আদি অঞ্চলত শ্মশানত মৃতকক যি চাৰিজনে শেষত কান্ধত লৈছিল সেই চাৰিজনে পোৰা শেষ হোৱাৰ পিছত তামোল-পাণ দি সেৱা কৰে, তাকে ঘাৰ-বদলা কৰা বুলি কোৱা হয়'।[24] সেৰফানগুৰি অঞ্চলত কামধৰাজনে তুলসী গছ এজোপা ৰুই ওচৰতে একমুঠি মৰাপাটৰ ঠাৰি লৈ হবিস ৰান্ধি মৃতকক আগবঢ়ায়। হবিসত চাউল, আলু, ঘি, মৌ, তিল হৰিতকি (শিলিখা), নদীত পোৱা যিকোনো মাছ এটা দিয়া হয় কামধৰাজনে মৃতকক কলপাতত হবিস আগবঢ়াই তেওঁৰ আত্মাৰ সদ্গতি প্ৰাৰ্থনা কৰে। চিতাৰ ওপৰৰ মাটিখিনি চহাই তাতে তিল, সৰিয়হ, চটিয়াই দিয়া হয়।

শ্মশানৰ দাহকাৰ্য শেষ হ'লে কামধৰা জনক একবস্ত্ৰ পিন্ধিব দিয়া হয়। যিখন বস্ত্ৰ (কাপোৰ) মৃতকক ঢাকি শ্মশানলৈ লৈ যোৱা হৈছিল সেইখন ধুই পিন্ধিব দিয়া হয় খেউৰ লৈকে এইখন কাপোৰকে পিন্ধিব লাগিব। কাপোৰখন গাতে তিতিব গাতে শুকুৱাব, বদল কৰিব নোৱাৰিব। শ্মশানত এইখন কাপোৰ অলপ ছিঙি পকাই কামধৰাজনক গলত পিন্ধাই দিয়া হয়। কামধৰাজনৰ হাতত কাচি দা আৰু বহিবলৈ কুশাসন (কুশবনৰ আসন) তুলি দিয়া হয়। কাচি বা লোহা দিলে কোনো অশুভ শক্তি, ভূত-প্ৰেতে আক্ৰমণ কৰিব নোৱাৰে বুলি লোকবিশ্বাস প্ৰচলন আছে। সকলো কাজ শেষ হোৱাৰ পিছত শ্মশানত যোৱা লোকসকলে শ্মশানতে নাপিতৰ দ্বাৰা চুলি-দাড়ি কটাই শুদ্ধ হৈ লয়।[25]

শ্মশানৰ পৰা ঘৰলৈ উভতি আহোতে কামধৰা জনে কাচি দা বা কোৰেৰে মাটিত তিনিডাল আঁচ দিয়ে আৰু ৰামৰ দোহাই দি মৃতকৰ লগত সম্পৰ্ক চেদ কৰে। উভতিবৰ সময়ত কোনেও পিছলৈ ঘুৰি চাব নোৱাৰে। শ্মশানত ব্যৱহাৰ কৰা কোৰ, কুঠাৰ, দা আদিৰ নালবোৰ খুলি পেলাই দিয়া হয়।

শ্মশানত যোৱা লোকসকলে উভতি আহি বাহিৰে বাহিৰে গা তিয়াই সোণ-ৰূপৰ পানী, শোকোতাৰ পানী গাত চটিয়াই আৰু খায়। জুইৰ গৰম সেক গাত লয়, শিল এছোটা গৰম কৰি গাত লগাই শোকোতা চবাইহে ঘৰত প্ৰৱেশ কৰে। লোকবিশ্বাস মতে শ্মশানৰ পৰা ভূত প্ৰেত আহি যাতে একো অনিষ্ট কৰিব নোৱাৰে সেইকাৰণে এইবোৰ নিয়ম পালন কৰা হয়।

সধবা মহিলাৰ ক্ষেত্ৰত স্বামী বা পুত্ৰই মুখাগ্নি কৰে নিয়ম-আচাৰবোৰ আগতে উল্লেখ কৰাবোৰেই পালন কৰে।

'গৰ্ভৱতীৰ মৃত্যু হ'লে স্বামীয়ে শ্মশানত পত্নীৰ গৰ্ভৰ পৰা সন্তানটো কাটি উলিয়াই নিমজ পাতত (আগলতি কলপাতত) শুৱাই গাত খান্দি পুতি থয়'।[26] পিছত গৰ্ভৱতীগৰাকীক নিজৰ স্বামীয়ে মুখাগ্নি কৰে। শ্মশানত এডাল কলগছ ৰুই দিয়া হয়। কলগছ জোপাৰ কলডিল আহিলে নাৰীগৰাকীৰ আত্মাৰ মুক্তি লাভ কৰে বুলি লোকবিশ্বাস আছে।[27] অবিবাহিত ল'ৰা-ছোৱালীৰ মৃত্যু হ'লে পিতৃয়ে বা ভাতৃয়ে মুখাগ্নি কৰে। শ্মশানত এজোপা কলগছ ৰুই দিয়া হয়। কেচুৱা বা দাঁত নাভাঙিলে (শিশু) মৰিলে কেচুৱাক গাত খান্দি নিমজ পাতত (আগলতি কলপাত) শুৱাই দি নিমখ চটিয়াই পুতি থোৱা হয়। পুতি থোৱা সমাধিত চাৰিডাল নিচান পুতি দিয়া হয় আৰু চাকি ধূপ জ্বলাই দিয়া হয়। চাৰিদিনত শ্ৰাদ্ধ কৰা হয় বা সাধাৰণভাৱে কীৰ্ত্তন দিয়া হয়। বৈষ্ণৱ পন্থী বহুতো গোসাইক সমাধি (পুতি থোৱা) দিয়া হয়।

**৪.০২.৬. মৃতকৰ অস্থি সংগ্ৰহ আৰু অস্থিক্ষেপন ঃ**

মৃতকৰ লাওখোলা বা কপালৰ পৰা হাড় উলিয়াই ভালদৰে ধুই-পখালি বাঁহৰ থুৰিত ভৰাই লৈ অহা হয় কিছুমান বগা কাপোৰত বান্ধি গলত বা বাওঁহাতত বান্ধি লৈ আহে। অস্থিটো ঘৰৰ চৌহদৰ বাৰীত থকা কলগছত লুকুৱাই থয়। কাৰণ কোনো তান্ত্ৰিকে পালে অনিষ্ট কৰিব পাৰে বুলি বিশ্বাস।

দহাৰ দিনা ঘি, মৌ, গাখীৰ, নেমুটেঙা, গোমুত্ৰ, গোবৰ, ভেড়াৰ নোম ইত্যাদিৰে অস্থিটো ব্ৰাহ্মণ-পুৰোহিতে শুদ্ধ কৰি দিয়ে। মাটিৰ ঘটত ভৰাই তুলসী তলত মাটিত পুতি থোৱা হয়। উৰালেৰে ঢাকি থোৱা হয় যাতে কুকুৰ মেকুৰীয়ে অস্থিটো ক্ষতি কৰিব নোৱাৰে। কালীপুখুৰী, ভোটগাঁও, বালাজান, চন্দ্ৰপাৰা, ডিমলগাঁও, ফকিৰাগ্ৰাম, শক্তিআশ্ৰম, খুকচি

আদি ঠাইত দাহ কৰাৰ দিনাই চোতালত সৰুকৈ খেৰৰ ঘৰ নিৰ্মাণ কৰি তাতে অস্থিতো সৰু মাটিৰ ঘটত ভৰাই পুতি থোৱা হয়। দহা নোযোৱালৈকে সদায় পুৱা গা ধুই পুত্ৰই অস্থি উলিয়াই সৰিয়হ তেল, গাখীৰ আদিৰে ধুৱাই পিঠালী (পিঠাগুৰি) ফল-মূল, তুলসীপাত, ফুল আদিৰে সেৱা কৰে।

অস্থিৰ ওপৰত টোপ-টোপকৈ পানী পৰিব পৰাকৈ এটা মাটিৰ ঘট ফুটা কৰি, ফুটাটোত ব্যৱহাৰ নকৰা বাঢ়নীৰ কাঠি সোপা দিব লাগে, পানী যাতে নিয়মিত ভাৱে টোপ টোপ কৰি অস্থিৰ ওপৰত পৰি থাকে। পানী শেষ হ'লে পুনঃ ভৰ্তি কৰি দিব লাগে। লোকবিশ্বাস মতে দহা নোযোৱা লৈকে মৃতাত্মা বৰ পানীৰ পিয়াহত ভূগি থাকে। পিয়াহ পলুৱাবৰ বাবে অস্থিটোৰ ওপৰত পানী দিয়াৰ ব্যৱস্থা কৰা হয়।[28]

অস্থি এবছৰৰ ভিতৰত গঙ্গাত বিসৰ্জন দিয়া নিয়ম। অস্থি থকা ঘৰত চুৱা থাকি যায়। অস্থিক্ষেপন নকৰালৈকে সেই ঘৰত কোনো শুভ কৰ্ম বা দেৱ-দেৱীৰ পূজা-সেৱা নচলে। পৰিয়ালৰ সামৰ্থ্য অনুসৰি বহুতে অশোকা অষ্টমীত ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়ে। অস্থি গঙ্গাত দিলে আত্মাই মুক্তি লাভ কৰে বুলি বিশ্বাস কৰে। অস্থিক্ষেপন নকৰালৈকে সদায় অস্থিক ধূপ চাকি দিয়া হয়।

অস্থিক্ষেপন কৰা দিনটোত গাঁওবাসী, আত্মীয়স্বজনক খবৰ দিয়া নিয়ম। অস্থি মাটিৰ তলৰ পৰা তুলি গাখীৰ, গঙ্গাজল, তুলসীপাত দি ধুই ধূপ-ধূনা জ্বলাই, ফল-মূল নৈবদ্য দি পূজা কৰি ৰূপৰ সৰু টেমাত ভৰাই বগা কাপোৰেৰে বান্ধি যিজনে অস্থিক্ষেপন কৰিব তেওঁ অস্থিটো গলত বান্ধি লৈ গঙ্গা অভিমুখে যাত্ৰা কৰে। গঙ্গা নদীত গৈ মূৰ খুৰাই ব্ৰাহ্মণৰ দ্বাৰা পিণ্ডদান কৰি তাৰ পিছত নদীত নামি অস্থি বিসৰ্জন দিয়া হয়। আৰু পানীত তিনিবাৰ ডুব দি পানীৰ পৰা উঠি আহিব লাগে আৰু ঘৰত আহি নাম কীৰ্তন দিব লাগে।

**৪.০২.৭. অপমৃত্যু হ'লে পালন কৰা লোকাচাৰ আৰু লোকবিশ্বাস ঃ**

কোচ ৰাজবংশী সমাজত অপমৃত্যু হ'লে যেনে— ফাচী লাগি মৰা, আত্মহত্যা কৰা, দুৰ্ঘটনা, বসন্ত ৰোগত মৃত্যু হোৱা, বজ্ৰপাতত মৰা লোকক আগতে পুতি থোৱা হৈছিল। কিন্তু বৰ্তমান সময়ত সকলোৰে দাহ কৰে। সৰ্পদংশনত মৃত্যু হ'লে নদীত কলৰ ভেল সাজি উটুৱাই দিয়া হয়। ইয়াত বেউলা-লখিন্দাৰৰ আখ্যানটো মানি চলা হয়। বিশ্বাস কৰে যে কোনোবা

ওজাই শৰটোক জীয়াই তুলিব পাৰিব বুলি।

অপমৃত্যুতৰ শ্ৰাদ্ধ চাৰিদিনত পালন কৰা হয়। অপমৃত্যু হ'লে গয়াৰ প্ৰেতশিলাত পিণ্ড নিদিলে আত্মাই মুক্তি নাপায় বুলি লোকবিশ্বাস।

**৪.০৩.১. চতুৰ্থা ঃ**

মৃত্যুৰ চাৰিদিনত চতুৰ্থা পালন কৰা হয়। চতুৰ্থাত জীয়েক জোঁৱায়েক, ভাগিনীয়েক, ভতিজীয়ে ব্ৰাহ্মণ বা অধিকাৰীৰ দ্বাৰা মৃতকক চাৰি পিণ্ড দি শ্ৰাদ্ধানুষ্ঠান কৰে। সেইদিনা চাইৰদানী শ্ৰাদ্ধ কৰা হয়। ব্ৰাহ্মণক অন্ন, বস্ত্ৰ, জল আৰু তামোল দান দিয়া হয়।[29] কিছুমান ঠাইত গিলাচ, কাহি, বাটি আৰু বটা এই চাৰি প্ৰকাৰৰ বস্তু ব্ৰাহ্মণক দান কৰে।[30] সেইদিনা শ্ৰাদ্ধ পতা গৃহস্থৰ ঘৰত গাঁৱৰ দুই চাৰিজনক মাতি দৈ-চিৰা, চাহ-মিঠাই আদি খুৱাই নাম-কীৰ্ত্তন দিয়া হয়। চতুৰ্থাৰ দিনা কিছুমান অঞ্চলত (সেৰফানগুৰি, ৰামফলবিল, গৰুফেলা, কচুগাঁও, পাটগাঁও আদি) নাপিতৰ দ্বাৰা শ্মশানত যোৱা লোকসকলে ক্ষৌৰকৰ্ম কৰে। লগুন (পইতা বা উপৱীত) নতুন ধাৰণ কৰে। পাঁচদিনৰ দিনা পঞ্চপিণ্ড দান কৰে।

**৪.০৩.২. দহা বা দশা ঃ**

দহদিনত দহা বা দশা কৰ্ম কৰা হয়। নদীৰ পাৰত বা জলাশয়ৰ পাৰত এই কৰ্ম কৰা হয়। 'যাৰ চিতা উৎসৰ্গ কৰা হয় তাৰ দহদিনত দহপিণ্ড দিয়া হয়। যাৰ চিতা উৎসৰ্গ কৰা নহয় তেওঁলোকে দহদিনত অকল এটিহে পিণ্ড দিয়ে'।[31] দহা কৰ্ম হৈছে বৈদিক কৰ্ম। ব্ৰাহ্মণ-পুৰোহিতৰ দ্বাৰা এই পিণ্ডদান কৰা হয়। 'দহদিনৰ পৰা সাধাৰণভাৱে পৰিয়াল আৰু নিকট আত্মীয় বা ভাগী-গোষ্ঠীৰ অশৌচ গুচে'।[32]

দহাৰ দিনা কামধৰাজন, ৰাইজ আৰু ব্ৰাহ্মণে নদী বা জলাশয়ৰ পাৰত গৈ ঘট স্থাপন কৰি ভৈৰৱ পূজা কৰা হয়। ইয়াত বিভিন্ন পূজাৰ সামগ্ৰীৰ প্ৰয়োজন হয়, যেনে— ঘট, কুশ নাৰিকল, ভেড়াৰ নোম, নেমুটেঙা, পঞ্চগব্য (গোবৰ, গোমুত্ৰ ঘি, মৌ, গাখীৰ), সেৱাপটল (বিলত পোৱা যায়), পদুম ফুলৰ গুৰিৰ মাটি, ৰঙা কাপোৰ, কলডিল, পাকৰি পাত, কল, চাউল, তিল, কলৰ দোনা, পলাশৰ পাত, আগলতি কলপাত ইত্যাদি। বগা কাপোৰ দি চান্দোৱা

দিয়া হয়। চান্দোৱাৰ তলত চাৰিটা নিচান পুতি ঘট স্থাপন কৰি ভৈৰৱ পূজা কৰা হয়। পূজাৰ আগত 'অগ্নিদ্বগ্ধা'[33] দিয়া হয়। তুলসী গছ ৰুই দক্ষিণ মুখ কৰি দহপিণ্ড দিয়া হয়। পঞ্চগব্য আৰু নেমুটেঙা দি অস্থি শুদ্ধ কৰা হয়। সেইদিনাৰ পৰা অস্থি আনি তুলসী তলত পুতি অস্থিক্ষেপন নকৰালৈকে সদায় ধুপ চাকি দিয়া হয়।

**৪.০৩.৩. শুইন ঃ**

দহাৰ পিছদিনা বা এঘাৰ দিনৰ তিথিটোক শুইন বোলে। শুইন মানে শূন্য। সেইদিনা হবিসৰ বাহিৰে কৰিবলগীয়া একো নাথাকে।

**৪.০৩.৪. খেউৰ ঃ**

মৃত্যুৰ বাৰদিনৰ তিথিটো হৈছে খেউৰ। সেইদিনা মৃতকৰ পুত্ৰসকলে মুণ্ডন কৰে। বংশৰ অন্য লোকসকলে দাড়ি-নখ কাটে আৰু মহিলাসকলে হাত-ভৰিৰ নখ কাটে। খেউৰ বা মুণ্ডন সাধাৰণতে নদীৰ পাৰত বা জলাশয়ৰ পাৰত কৰে। নাপিতৰ দ্বাৰা মুণ্ডন কৰাৰ পিছত যেতিয়া গা ধুবৰ বাবে পানীত নামে। পানীত ডুব মাৰি কামধৰা জনে আৰু অন্য পুত্ৰসকলে শ্মশানত পিন্ধা গলৰ বগা কাপোৰখন (টেওনি) খুলি পেলায় আৰু পানীত ডুব যোৱা অৱস্থাতে গাঁৱৰ ৰাইজে তেওঁলোকৰ মূৰৰ ওপৰত মাটিৰ ঘট বা চৰু ভাঙি দিয়ে। 'মাটিৰ ঘট বা চৰুটো জুইত পুৰি লোৱা হয়। ইয়াক দুখেৰ ডোকা ভঙা বুলি কয়'।[34] খেউৰৰ দিনা পুৰণা কাপোৰ সলনি কৰি নতুন ধুতি পিন্ধে। ঘৰত কাপোৰ-কানিবোৰ ধুই দিয়া হয়, ঘৰ-চোতাল গোবৰেৰে মচি পৰিস্কাৰ কৰা হয়। উপবীতধাৰীসকলে নতুন উপবীত (লগুন) লয়। খেউৰৰ হবিসেই কিছুমানৰ বাবে শেষ হবিস। তাৰ পিছত আৰু হবিস নকৰে।

**৪.০৩.৫. আদ্যশ্ৰাদ্ধ আৰু সপিণ্ডন ঃ**

কোচ ৰাজবংশী সমাজত তেৰদিনৰ দিনা শ্ৰাদ্ধ কৰা হয়। শ্ৰাদ্ধত বেদাচাৰ আৰু লোকাচাৰ বা দেশাচাৰ দুই ধৰণেৰে কৰা হয়। ব্ৰাহ্মণে পুৰোহিতৰ লগতে অধিকাৰীৰ দ্বাৰাও কোচৰাজবংশীসকলে নিজস্ব কিছুমান ৰীতি-নীতিও পালন কৰে।

শ্ৰাদ্ধ আৰম্ভ হোৱাৰ আগতে ব্ৰাহ্মণে মৃতকৰ পৰিয়ালক প্ৰাইশ্চিত্ত (পৰাচিত) কৰায়। প্ৰাইশ্চিত্তৰ বাবে গোবৰ, গোমুত্ৰ, শীতজল (নিয়ৰৰ পানী), মাটিমাহ, কড়ি, কলডিল, দৈ, ঘি, মৌ, গাখীৰ, তিল, হৰিতকি, শুকাতি (মৰাপাটৰ শোকোতা)। মৃতকৰ পৰিয়ালে তিতা গাৰে প্ৰাইশ্চিত্ত হ'ব লাগে। এই প্ৰাইশ্চিত্তৰ পিছত 'তিল-কাঞ্চন' কৰা হয়। ইয়াৰ বাবে তিল, সোণ-ৰূপ, ভোজ্য, কাপোৰ, ধূতি-গামোচা ইত্যাদি সামগ্ৰীসমূহ লাগে। এই তিল-কাঞ্চনৰ প্ৰেত শয্যা[35] দান কৰা হয়। প্ৰাইশ্চিত্ত আৰু তিল-কাঞ্চন শেষ হোৱাৰ পিছত নতুন ধুতি পিন্ধি শ্ৰাদ্ধত বহিব লাগে। মৃতকৰ আত্মাই স্বৰ্গ লাভ কৰিব পাৰে যাতে আত্মাই চিৰ মুক্তি লাভ কৰে তাৰ বাবে কামধৰা জনে গৰুৰ নেজত ধৰি বৈতৰণী পাৰ হয়। উত্তৰ দক্ষিণকৈ সৰু নদী খন্দা হয়। ইয়াত ব্ৰাহ্মণে মন্ত্ৰ মাতে আৰু কামধৰাজনে গাই-দামুৰিৰ নেজত ধৰি বৈতৰণী পাৰ হয়।

শ্ৰাদ্ধৰ বাবে বিভিন্ন দানাদি দিয়া হয়। এই দানাদিৰ ভাগসমূহ হৈছে— চাইৰদানী, ষোড়সদান, বৃষ, চন্দন, ধেনু ইত্যাদি।

চাইৰদানীত অন্ন, বস্ত্ৰ, জল, তামোল আৰু লগত গিলাচ, কাহি, বাতি, বটা ব্ৰাহ্মণক দান দিয়া হয়। ষোড়সদানত ভূমিদান, আসনদান, ভাজনদান (ধানদান), সোণ-ৰূপ দান, তামোল গছদান, ছত্ৰ (ছাতি), বিছনী, পাদুকা (চেণ্ডেল), বস্ত্ৰ দান, শয্যাদান (খাট, আঠুৰা, কম্বল, গাৰু, পাটি, চাদৰ, লেপ, তুলি) থাল-বাটি, গিলাছ, পাদ্যদানৰ চৰিয়া, কলহ এটা, ভোজ্য, চাউল ইত্যাদি দান দিয়া হয়। শয্যা দুখন দান কৰা হয়। এখন ব্ৰাহ্মণক, আনখন গুৰুদেৱক। গুৰুদেৱক দিয়াখন গুৰুশয্যা বুলি কোৱা হয়। গুৰু শয্যাখনত নামাৱলী, গীতা, কোসা অৰ্ঘা, কুশাসন ইত্যাদি দিয়া হয়। 16টা ভোজ্য (চাউল, দাইল, আলু ইত্যাদি) আৰু বহুভোজ্য দিয়া হয়।

আদ্যশ্ৰাদ্ধৰ লগতে চৈধ্যমাসিক শ্ৰাদ্ধ কৰা হয়। যি ঘৰৰ ভিতৰত মানুহজন মৰিছে সেইটো ঘৰৰ ভিতৰত এই শ্ৰাদ্ধ কৰা হয়। এই শ্ৰাদ্ধত চৈধ্যটা পিণ্ড দিয়া হয়। পিণ্ডৰ বাবে চাউল, কল, চেনি, গাখীৰ, দৈ, মৌ, ঘি, তিল, হৰিতকি ইত্যাদি সামগ্ৰীসমূহ লাগে। শ্ৰাদ্ধৰ বাবে কুশ বন লাগে। আদ্যশ্ৰাদ্ধত ব্ৰাহ্মণৰ লগতে অধিকাৰীয়ে অধিবাসী সেৱা দিয়ে। শিতলা পূজা কৰা হয়[36] শ্ৰাদ্ধ চলি থাকোতে গীতা পাঠ কৰা হয়। লোকবিশ্বাস মতে গীতা পাঠ শুনিলে আত্মাই মুক্তি লাভ কৰে।

শ্ৰাদ্ধৰ দিনা নিমন্ত্ৰিত মানুহখিনি, জ্ঞাতি, শ্মশানত যোৱা লোক আদিক দৈ-চিৰা, গুৰেৰে আপ্যায়ন কৰা হয়। অৱস্থা অনুসৰি পুৰি-দালি, নিৰামিষ ভাত খোৱায়। শ্ৰাদ্ধৰ পিছদিনা সপিণ্ডন দিয়া হয়। সপিণ্ডনত পূৰ্ব-পুৰুষক পিণ্ড দিয়া হয়, ইয়াত পিতৃ, পিতামহ, প্ৰপিতামহ, বৃদ্ধপ্ৰপিতামহ, মাতৃ, মাতামহি, প্ৰমাতামহি, বৃদ্ধাপ্ৰমাতামহিক পিণ্ডদান কৰা হয়। সপিণ্ডনত চাউল, কাপোৰ দান কৰা হয়। সপিণ্ডনৰ বাবে পিণ্ডৰ সামগ্ৰীসমূহৰ লগতে কলগছৰ দোনা, কুশবন, কলৰ পাত, গলগছৰ চটিয়া লাগে। সপিণ্ডন নোহোৱালৈকে কামধৰা জনে হবিস খাই থাকে। সপিণ্ডন হোৱাৰ পিছত কামধৰাজনে ৰাইজৰ লগত মৎস্যমুখি গ্ৰহণ কৰে।

কিছুমান আদ্যাশ্ৰাদ্ধ আৰু সপিণ্ডন, মৎস্যমুখি একেদিনাই কৰে আৰু কিছুমানে তেৰ দিনত শ্ৰাদ্ধ কৰি চৈধ্যদিনত সপিণ্ডন আৰু মৎস্যমুখি কৰে। গৃহস্থৰ আৰ্থিক অৱস্থা অনুসৰি শ্ৰাদ্ধ কৰা হয়।

**৪.০৩.৬. ধুমালী দিয়া ঃ**

শ্ৰাদ্ধৰ শেষত আৰু এটা লোকাচাৰ আছে সেয়া হ'ল ধুমালী। ধুমালী অধিকাৰীৰ দ্বাৰা দিয়া হয়। ধুমালী দিয়াৰো এটা সময় সীমা আছে, ইয়াক দ্বিতীয় সন্ধিয়া বুলি কোৱা হয়। ধুমালীত জ্ঞাতি-কুটুম তথা গাঁৱৰ ৰাইজ অংশগ্ৰহণ কৰে। ধুমালীৰ নিয়মখিনি অধিকাৰীয়ে সম্পন্ন কৰাত আগভাগ লয়। নিয়ম মতে তুলসীৰ ওচৰত এখন বাঁহেৰে চাল বনোৱা হয়, ইয়াৰ ওপৰত মৰাপাটৰ ঠাৰি (সিঙা) দিয়া হয়। চালৰ তলত পূজাৰ সামগ্ৰীবোৰ সজোৱা হয়। অধিকাৰীয়ে মন্ত্ৰ মাতি কামধৰা জনক প্ৰণাম কৰোৱায়। মৃতকৰ আত্মাৰ শান্তিৰ বাবে সকলোৰে প্ৰণাম কৰে। এই সময়ত হৰিনাম সংকীৰ্ত্তন কৰা হয়। মৃতকৰ পৰিয়ালে কন্দা-কটা কৰে। কামধৰা জনে মাটিত বাগৰি (গৰাগৰি) সেৱা কৰে। অধিকাৰীয়ে শান্তি কৰি দিয়ে।

ধুমালীৰ লগত জড়িত এটা লোকবিশ্বাস আছে যে যেতিয়া ধুমালী দিয়া হয় সেইসময়ত যিটোঘৰত মানুহজনৰ মৃত্যু হৈছে সেই ঘৰটোত মাটিত আটা বা চাউলৰ গুৰি দি দোলা বা কাঁহী এখনেৰে ঢাকি থোৱা হয় আৰু ঘৰটোত মানুহ সুমোৱা নিষেধ। ঘৰটোৰ দুৱাৰ-খিৰিকীবোৰ বন্ধ কৰি থোৱা হয়। ধুমালী শেষ হোৱাৰ পিছত ঘৰৰ পৰিয়ালৰ লোকে বন্ধ কৰি ৰখা ঘৰটোৰ

কাঁহীখন বা দোলাখন দাঙি চায় যে আটা বা চাউলৰ গুৰিখিনিত কিবা চিন বহিছে নে। সাধাৰণতে যিকোনো জীৱৰ ওঁঠ, নেজ, ভৰি, মুৰ আদি চিনবোৰ পায়। লোকবিশ্বামতে এই চিনৰ দ্বাৰা অহা জনমত কি জন্ম নিব সেইটো দেখুৱাই।

### ৪.০৩.৭. হবিস্য গ্ৰহণ ঃ

কোচ ৰাজবংশী সমাজত মৃত্যুৰ তিনি দিনৰ পিছৰ পৰা হবিস আহাৰ গ্ৰহণ কৰা হয়। ইয়াত বহুতো নিয়ম পালন কৰা দেখা যায়। হবিস আবেলী সূৰ্যাস্তৰ আগে আগে কৰা হয়। হবিসত নিমখ, জলকীয়া, তেল, কোনো ধৰণৰ মছলা ব্যৱহাৰ কৰা নহয়। কামধৰা জনে হবিস ৰান্ধিব লাগে। যিকেইজনে হবিস কৰে সেই হিচাপত হাতৰ মুঠিৰে চাউল দিয়া হয়। মাটিৰ পাত্ৰত ৰন্ধা হয় আৰু একমুঠা মৰাপাটৰ ঠানিৰে ৰান্ধিব লাগে। কোনোধৰণৰ হাতা-খণ্টিৰ ব্যৱহাৰ কৰা নহয়। ৰন্ধা হোৱাৰ পিছত একেবাৰে পাতত ঢালি দিয়া হয়। যিখিনি পাতত পৰিব সেইখিনিয়ে খাব লাগিব। খোৱাৰ আগত মৃতকৰ আগত আগবঢ়াই দিয়া হয়। হবিসত আলু, ঘি দিয়া হয়।

### ৪.০৩.৮. মৎস্যমুখি/মৎসস্পৰ্শ ঃ

কোচ ৰাজবংশী সমাজত শ্ৰাদ্ধ হোৱাৰ পিছদিনা সপিণ্ডন আৰু মৎস্যমুখি বা মৎসস্পৰ্শ অনুষ্ঠান পালন কৰা হয়। সেইদিনা মৃতকে খাই ভালপোৱা খাদ্য বনোৱা হয় আৰু সেইবোৰ কলৰ পাতত বা দোনাত আগবঢ়াই দিয়া হয়। মৎস্যস্পৰ্শৰ দিনা জ্ঞাতি, গাঁওবাসী ৰাইজ, 'শ্মশানবাসীক'[37] মাতি আনি মাছেৰে ভোগ দিয়া হয় আৰু গৃহস্থই ইমান দিনৰ হবিস ভংগ কৰে। সেইদিনাৰ পৰা গৃহস্থই তেল নিমখ, হালধি, জলকীয়া আৰু আমিষ আহাৰ গ্ৰহণ কৰিব পাৰে। মৎস্যমুখিৰ দিনা ৰাইজৰ লগতে কামধৰাজনেও খাব বহিব। কামধৰাজনে খাব আৰম্ভ কৰিলেহে ৰাইজে খাব আৰম্ভ কৰে। 'খোৱাৰ শেষত কামধৰাজনে ৰাইজৰ খোৱা পাতবোৰ তুলিব লাগে'।[38]

মৎস্যমুখিৰ দিনা কিছুমান ঠাইত মৃতকক পৈশাচিক আহাৰ আগবঢ়ায়। কামধৰাজনে লগত দুই-এজনক লৈ বাৰীত চৌকা খান্দি মাটিৰ ভঙা পাত্ৰত আধাসিজা ভাত, দাইল, শাক,

পাচলি, গৰৈ মাছ পুৰা ইত্যাদি ৰান্ধি বাৰীত বা নদীৰ পাৰ বা নিৰ্জন ঠাইত মৃতকক এই আহাৰ আগবঢ়াই দিয়ে।

মৎস্যমুখিৰ ৰাতি সকলোৰে খোৱা-বোৱাৰ শেষত গাঁৱৰ ৰাইজে কামধৰাজনৰ মূৰত তেল দিয়ে, হাতত ছাতি-লাঠি, পিন্ধিবৰ বাবে কাপোৰ, বজাৰ কৰিবৰ বাবে মোনা, পইচা দিয়ে। ইমান দিনে কামধৰাজনে মূৰত তেল-চাবোন বা অন্য কোনো প্ৰসাধন দিব পৰা নাছিল। একবস্ত্ৰ পিন্ধি আছিল, সেইদিনাৰ পৰা কামধৰাজনে অন্ন-বস্ত্ৰ পৰিধান কৰিব পাৰিব, বজাৰ কৰিব পাৰিব, ছাতি-লাঠি ব্যৱহাৰ কৰিব পাৰিব।

'মৎস্যমুখিৰ পৰা মৃতকৰ অশৌচৰ লগত জড়িত সকলো প্ৰকাৰৰ কাম শেষ হয়'।[39]

**৪.০৩.৯. মাহেকীয়া, ছয়মাহত আৰু বছৰেকীয়া তিথি পালন ঃ**

মৃত্যুৰ একমাহত মাহেকীয়া তিথি কৰা হয়। মাহেকীয়াত অধিকাৰীৰ দ্বাৰা সেৱা-শান্তি দিয়া হয়। ছয়মাহত আকৌ এবাৰ মুণ্ডন কৰা হয়। ব্ৰাহ্মণৰ দ্বাৰা মৃতকক পিণ্ডদান কৰা হয়।

মৃতকৰ একবছৰত বছৰেকীয়া শ্ৰাদ্ধ কৰা হয়। কামধৰাজনে মুণ্ডন কৰে। ব্ৰাহ্মণৰ দ্বাৰা পিণ্ডদান কৰা হয়।

**৪.০৪.১. মৃত্যুৰ লগত জড়িত অন্যান্য লোকাচাৰ আৰু লোকবিশ্বাস ঃ**

কোচ ৰাজবংশী সমাজত মানুহ এজনৰ মৃত্যু হোৱাৰ পিছত ৰন্ধা-ঘৰৰ চৰু-হাড়ি, শোটা বাঢ়নী আদি পেলাই দিয়া হয়। মূল মানুহৰ মৃত্যু হ'লে ৰন্ধা-বঢ়া কৰা চৌকাও ভাঙি দিব লাগে। 'মৃতকে ব্যৱহাৰ কৰা কাপোৰ, বিছনা পত্ৰ শ্মশানত পেলাই দিয়া হয়। ঘৰৰ আন কাপোৰ ধুই ঘৰ-দুৱাৰ ভালকৈ গোবৰ পানীৰে মচি পৰিস্কাৰ কৰে'।[40]

শ্মশাসনৰ পৰা আহি তুলসী তলত য'ত মৃতকক শুৱাই ৰখা হৈছিল তাতে সৰু খেৰৰ ঘৰ এটা নিৰ্মাণ কৰে। সেৰফানগুৰি অঞ্চলত চাৰিওফালে চাৰিটা বাঁহৰ কাঠি দি এৰা সূতা তিনিফালে মেৰিয়াই দি ঝাটি ঘৰ নিৰ্মাণ কৰে। ইয়াতে মৃতকক হবিস আগবঢ়ায়। যিকোনো খোৱা বস্তু গ্ৰহণ কৰাৰ আগতে মৃতকৰ উদ্দেশ্যে আগবঢ়োৱা হয়।

যি ঘৰত যি ঠাইত মানুহগৰাকীৰ মৃত্যু হৈছে সেই ঘৰতে সেই ঠাইতে কামধৰাজনে

শুব লাগিব। বিচনাখন খেৰৰ হ'ব লাগিব। কামধৰাজনৰ ওচৰত দা এখন ৰাখিব লাগে।

শ্ৰাদ্ধ নোহোৱালৈকে কামধৰাজনে একো কাম-বন কৰিব নোৱাৰে। এই সময়ত কামধৰাজনৰ অংগখুত হ'লে বেয়া। কামধৰাজনে কোনো ওখ আসন বা চকীত বহিব নোৱাৰে, লগত এখন কুশাসন লৈ ফুৰে তাতেই বহে। তেল, চাবোন, ফণি ব্যৱহাৰ কৰিব নোৱাৰে। ৰাইজে মৎস্যমুখিৰ দিনা মূৰত তেল দিলেহে তাৰ পিছত তেল ব্যৱহাৰ কৰিব পাৰিব।

কোচ ৰাজবংশী সমাজত পিতৃ বা কোনো পুৰুষ মানুহ মৰিলে কল খাব নোৱাৰে আৰু মাতৃ মৰিলে গাখীৰ খাব নোৱাৰে।

কামধৰাজনে এবছৰলৈকে কাৰো ঘৰত ভাত খাব নোৱাৰে আৰু খাব লগা হ'লেও মূল্য দিব লাগে। এবছৰলৈ কোনো মঠ-মন্দিৰত যাব নোৱাৰে। মৃতকৰ ঘৰত এবছৰ নোহোৱালৈকে কোনো শুভ কাম কৰিব নোৱাৰে।

মৃতকৰ মৃত্যুৰ সময় অনুসৰি বিভিন্ন দোষ পায় (সকলোৰে দোষ নাপায়) এইবোৰ দোষ হৈছে একপাদ, দ্বিপাদ, ত্ৰিপাদ আৰু চতুস্পাদ। তিথি, বাৰ, নক্ষত্ৰ, যোগ এই চাৰিটা মিলি চতুস্পাদ। দোষ পালে ব্ৰাহ্মণে পঞ্জীকা চাই বিধান দিয়ে।

**পাদটীকা**

1¼ সংবাদদাতা ঃ বাবুলাল ৰায় (70], কুণ্ঠাইবাৰী, কোকৰাঝাৰ

2¼ Benudhar Rajkhoa : Assamese Popular Superstitions and Assamese Demonology, p. 118

3¼ সংবাদদাতা ঃ দয়াল ৰায় (70], গঙ্গাজাফলং, কোকৰাঝাৰ।

4¼ সংবাদদাতা ঃ পৰেশ্বৰ চৌধুৰী (70] ভোটগাঁও, কোকৰাঝাৰ

5¼ দ্বিজেন্দ্ৰনাথ ভকত ঃ অসমৰ কোচৰাজবংশী জনজাতি, পৃ. 114

6¼ গুৰু সেৱা ঃ মানুহ এজন অত্যন্ত কষ্ট পাই থাকিলে অধিকাৰী মাতি গুৰুসেৱা বা গুৰুশান্তি পূজা কৰা হয়। পূজাৰ অন্তত মানুহজনৰ ভাল বেয়াৰ আগজাননী অধিকাৰীয়ে গৃহস্থক দিয়ে।

7¼ সংবাদদাতা ঃ বাবুলাল ৰায় (70] কুণ্ঠাইবাৰী, কোকৰাঝাৰ

8¼ গীয়াতি দল ঃ গাঁৱৰ সকলো কাৰ্যতে বিয়া, মানুহ মৰিলে, সামাজিক আচাৰ-বিচাৰ নিস্পত্তি, গাৰ্জা পূজা, এই কামবোৰ কৰিবলৈ গীয়াতি দল গঠন কৰা হয়। দলটো পুৰুষ মহিলা সকলোৱে থাকে। মানুহ মৰিলে গীয়াতি দল আহি মৃতকৰ সকলো কৰ্ম যেন চাং সজা, শ্মশানত নিয়া, মৰা ফেলা কীৰ্ত্তন এই সকলোবোৰ কাম কৰে।

9¼ প্ৰবীন বৰ্মণ ঃ অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম-মৃত্যু সম্পৰ্কীয় লোকাচাৰ, পৃ. 162¼

10¼ সংবাদদাতা ঃ পৰেশ চন্দ্ৰ ৰায় (55], শক্তি আশ্ৰম, কোকৰাঝাৰ।

11¼ প্ৰবীন বৰ্মণ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 162¼

12¼ প্ৰবীন বৰ্মণ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 163¼

13¼ পূৰবী ৰায় বৰুৱা ঃ জাগৰণ, পৃ. 12¼

14¼ সংবাদদাতা ঃ পৰেশ চন্দ্ৰ ৰায় ( 55], শক্তি আশ্ৰম, কোকৰাঝাৰ।

15¼ দ্বিজেন্দ্ৰ নাথ ভকত ঃ Âপূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 116¼

16¼ সংবাদদাতা ঃ দয়াল ৰায় (70], গঙ্গাজাফলং, কোকৰাঝাৰ।

17¼ সংবাদদাতা ঃ ৰাজু ৰায় (35] কালীপুখুৰী, কোকৰাঝাৰ।

18¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী (55], টুনীয়াডাঙ্গা, কোকৰাঝাৰ।

19¼ সংবাদদাতা ঃ জহৰলাল অধিকাৰী (80], বনৰগাঁও, কোকৰাঝাৰ।

20¼ লাবন্য ভকত ঃ ৰাজবংশী লোক সংস্কৃতি, পৃ. 87¼

21¼ সংবাদদাতা ঃ সল্প ৰায় (50], দেৱৰগাঁও, কোকৰাঝাৰ।

22¼ খুকচী, শক্তি আশ্ৰম, ফকিৰাগ্ৰাম, ভোটগাঁও এই বৃহৎ অঞ্চল।

23¼ সংবাদদাতা ঃ পৱনেশ্বৰ ৰায় (65], খুকচী, কোকৰাঝাৰ।

24¼ সংবাদদাতা ঃ নন্দেশ্বৰ ৰায় (68], কালীপুখুৰী, কোকৰাঝাৰ।

25¼ সংবাদদাতা ঃ পৰেশ্বৰ চৌধুৰী (65], ভোটগাঁও, কোকৰাঝাৰ।

26¼ সংবাদদাতা ঃ দয়াল ৰায় (70], গঙ্গাজাফলং, কোকৰাঝাৰ।

27¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী (55], টুনীয়াডাঙ্গা, কোকৰাঝাৰ।

28¼ অৰুণ কুমাৰ ৰায় ঃ কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰাচীন কলা-কৃষ্টিৰ তাৎপৰ্য (প্ৰথমখণ্ড), পৃ. 43¼

29¼ সংবাদদাতা ঃ ৰমেশ চক্ৰৱৰ্তী (55], নলবাৰী।

30¼ লাবন্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 88¼

31¼ লাবন্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 87¼

32¼ দ্বিজেন্দ্ৰ নাথ ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 117¼

33¼ অগ্নিদ্বগ্ধ ঃ চিতাৰ জুইত বিভিন্ন কীট-পতংগৰ মৃত্যু হয়, সেইবিলাকৰ আত্মাৰ শান্তিৰ বাবে এই পূজা কৰা হয়। তথ্যদাতা— ভগৱান চক্ৰৱৰ্তী (50], নলবাৰী।

34¼ সংবাদদাতা ঃ দয়াল ৰায় (70], গঙ্গাজাফলং, কোকৰাঝাৰ।

35¼ প্ৰেতশয্যা ঃ প্ৰেতশয্যাৰ বাবে গাৰু, লেপ-তুলি, আঠুৰা, খাট, চাদৰ, পাটি ইত্যাদি দান দিব লাগে।

36¼ সংবাদদাতা ঃ প্ৰফুল্ল অধিকাৰী (55], কালাইগাঁও কোকৰাঝাৰ।

37¼ শ্মশানবাসী ঃ মৃতকক দাহ কৰাবলৈ শ্মশানত যোৱা লোকসকল।

38¼ সংবাদদাতা ঃ পৰেশ্বৰ চৌধুৰী (65], ভোটগাঁও, কোকৰাঝাৰ।

39¼ দ্বিজেন্দ্ৰ নাথ ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 117¼

40¼ লাবন্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 87¼